**প্ৰেছ বাৰ্তা নং ঃ ৯৩/২০২২**

# নতুনকৈ স্থাপিত চাহ বাগিচা এলেকাৰ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষকৰ সৈতে মুখ্যমন্ত্ৰীৰ মত-বিনিময়

## চাহ বাগিচা এলেকাৰ ৯৭ খন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাবৰ্ষ অহা ১০ মে'ৰ পৰা আৰম্ভ হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২ এপ্ৰিল ঃ** ৰাজ্যখনৰ চাহ বাগিচা এলেকাত নতুনকৈ স্থাপন কৰা ৯৭ খন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ লগতে আন ১৩ খন নতুন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাবৰ্ষ অহা ১০ মে'ৰ পৰা আৰম্ভ হ'ব। আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত চাহ বাগিচা এলেকাত নতুনকৈ স্থাপন কৰা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আৰু শিক্ষকসকলৰ এক কৰ্মশালাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে চাহ বাগিচা এলেকাৰ শৈক্ষিক পৰিৱেশ উন্নীতকৰণৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে ১১৯ খন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপনৰ পদক্ষেপ গ্ৰহণ কৰিছিল, ইয়াৰ ভিতৰত ৯৭ খন বিদ্যালয়ৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠিছে আৰু ২০২২-২৩ বৰ্ষৰ বাবে এই বিদ্যালয়সমূহত শিক্ষাবৰ্ষ অহা ১০ মে'ৰ পৰা আৰম্ভ হ'ব।

এই পদক্ষেপক ঐতিহাসিক বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে স্বাধীনতাৰ ৭৫ বছৰৰ পিছত প্ৰথমবাৰৰ বাবে চাহ বাগিচা এলেকাত উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰা হৈছে। তেওঁ লগতে জনায় যে বাকী থকা ৪২ খন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শৈক্ষিক বৰ্ষ পৰৱৰ্তী বছৰৰ পৰা আৰম্ভ হ'ব। তদুপৰি ৰাজ্য চৰকাৰে চাহ বাগিচা এলেকাত আন ৮১ খন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰিব আৰু চাহ বাগিচা এলেকাত স্থাপন হোৱা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়সমূহক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰা হ'ব। মধ্যাহ্ন ভোজনৰ উপৰি এই বিদ্যালয়সমূহত শিক্ষাৰ্থীসকলে যাতে পুৰাৰ আহাৰো লাভ কৰে তাৰবাবে প্ৰয়োজনীয় ব্যৱস্থা গঢ়ি তুলিবলৈ পদক্ষেপ লোৱা হৈছে বুলি তেওঁ উল্লেখ কৰে।

চাহ বাগিচা এলেকাৰ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত দুই প্ৰকাৰৰ শিক্ষকক নিয়োগ কৰা হৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই বিদ্যালয়সমূহৰ বাবে নিৰ্দিষ্টকৈ শিক্ষক নিযুক্তি দিয়াৰ উপৰি ইতিমধ্যে প্ৰাদেশিকীকৃত হোৱা বিদ্যালয়ৰ পৰাও শিক্ষকক নিয়োগ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যখনত স্নাতকোত্তৰ ডিগ্ৰীধাৰী বহুতো টেট শিক্ষকে প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয়ত

শিক্ষকতা কৰি আছে। এই শিক্ষকসকলৰ মাজৰ যিসকলে চাহ বাগিচা এলেকাৰ জনসাধাৰণৰ কল্যাণ তথা শিক্ষাৰ উন্নতীকৰণৰ বাবে সেৰা আগবঢ়াব বিচাৰে, তেনে শিক্ষকক চাহ বাগিচা এলেকাৰ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত যোগদানৰ সুযোগ প্ৰদান কৰাৰ কথাও ৰাজ্য চৰকাৰে চিন্তা-চৰ্চ্চা কৰিছে বুলি তেওঁ কয়। অৱশ্যে সেইসকল শিক্ষকে পূৰ্বৰ পদত লাভ কৰা দৰমহাই লাভ কৰিব। ইয়াৰ জৰিয়তে তেওঁলোকে নিজৰ জ্ঞান আৰু অভিজ্ঞতা অধিক ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিবলৈ সুযোগ লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

বছৰ বছৰ ধৰি অৱহেলিত হৈ থকা চাহ বাগিচাৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ বাবে আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত নিযুক্তি লাভ কৰা শিক্ষকসকলে অনন্য সুযোগ লাভ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁলোকে যি ঐতিহাসিক পদক্ষেপৰ অংশ হ'বলৈ সুযোগ পাইছে সেয়া কেৱল অনন্যই নহয়, অভূতপূৰ্বও।

মুখ্যমন্ত্ৰীয়ে এই বিদ্যালয়সমূহৰ অধ্যক্ষ সকলক আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়সমূহক সঁচা অৰ্থত আদৰ্শ শিক্ষানুষ্ঠানলৈ ৰূপান্তৰ কৰিবলৈ নিজকে সমৰ্পিত মনোভাৱেৰে কাম কৰিবলৈ আহ্বান জনায়। তেওঁ বিদ্যালয় পৰিদৰ্শকসকলকো এই বিদ্যালয়সমূহৰ শিক্ষক তথা শিক্ষাৰ্থীসকলক সময়োচিত দিহা-পৰামৰ্শ তথা উদগণি দিয়াৰ বাবে সঘনে এই বিদ্যালয়সমূহ ভ্ৰমণ কৰিবলৈও কয়।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্য চৰকাৰে এই পদক্ষেপক দেশৰ অন্যান্য প্ৰান্তৰ বাবে এক সফল আৰ্হিত পৰিণত কৰিব বিচাৰিছে আৰু এই উদ্দেশ্যৰে তিনি মাহৰ পিছত এই বিদ্যালয়সমূহৰ অধ্যক্ষসকলৰ সৈতে তেওঁলোকৰ অভিজ্ঞতা আৰু এই বিদ্যালয়সমূহক কেনেকৈ আৰু অধিক উন্নত কৰিব পৰা যায় সেই বিষয়ত মত-বিনিময় কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে জনায় যে ৰাজ্য চৰকাৰে প্ৰতিটো বিধান সভা সমষ্টিত একোখনকৈ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপনৰ লক্ষ্যৰে কাম কৰি আছে।

আজিৰ এই অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, চাহ জনগোষ্ঠী কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, শিক্ষা বিভাগৰ উপদেষ্টা ড° ননী গোপাল মহন্ত, অসম মাধ্যমিক শিক্ষা পৰিষদৰ অধ্যক্ষ আৰ চি জৈন প্ৰমুখ্যে অন্যান্য উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**বীঃগঃ / পুঃডেঃ**

**২-০৪-২০২২**